মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলোঁ, আল্লাহৰ দৃষ্টিত কোনটো গুনাহ আটাইতকৈ ডাঙৰ? তেখেতে ক’লেঃ “আল্লাহৰ সৈতে অংশীদাৰ স্থাপন কৰা; অথচ তেৱেঁই তোমাক সৃষ্টি কৰিছে।

আব্দুল্লাহ বিন মাছউদ -ৰাদ্বিয়াল্লাহু আনহু-ৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলোঁ, আল্লাহৰ দৃষ্টিত কোনটো গুনাহ আটাইতকৈ ডাঙৰ? তেখেতে ক’লেঃ “আল্লাহৰ সৈতে অংশীদাৰ স্থাপন কৰা; অথচ তেৱেঁই তোমাক সৃষ্টি কৰিছে।” মই ক’লোঁ- নিঃসন্দেহে এইটো এটা মাৰাত্মক গুনাহ। মই আকৌ ক'লোঁ, তাৰ পিছত কোনটো? তেখেতে ক’লেঃ “ভৰণ-পোষণৰ ভয়ত নিজৰ সন্তানক হত্যা কৰা।” মই আকৌ সুধিলোঁ ইয়াৰ পিছত কোনটো? তেখেতে ক’লে, “প্রতিৱেশীৰ স্ত্রীৰ সৈতে ব্যভিচাৰ কৰা।”
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰা হ'ল যে, আটাইতকৈ ডাঙৰ গুনাহ কোনটো? তেতিয়া তেখেতে ক'লেঃ আটাইতকৈ ডাঙৰ গুনাহ হৈছে শ্বিৰ্কে আকবাৰ। শ্বিৰ্কে আকবাৰ হৈছে আল্লাহৰ উলুহিয়্যত, ৰুবুবিয়্যত আৰু আচমা অচ্ছিফাতত আনক সমকক্ষ স্থিৰ কৰা। তাওবা অবিহনে এই গুনাহ আল্লাহে কেতিয়াও ক্ষমা নকৰে। যদি তাওবা নকৰাকৈ এই গুনাহ কৰা ব্যক্তিয়ে মৃত্যুবৰণ কৰে তেন্তে সি চিৰস্থায়ী জাহান্নামী হ'ব। ইয়াৰ পিছৰ গুনাহটো হৈছে এই আশংকাত নিজৰ সন্তানক হত্যা কৰা যে, তাক ভৰণ-পোষণ দিব লাগিব, কাৰণ অন্যায়ভাৱে কোনো ব্যক্তিক হত্যা কৰা হাৰাম, বিশেষকৈ যদি নিহত ব্যক্তি হত্যাকাৰীৰ আত্মীয় হয় তেন্তে সেই গুনাহ আৰু অধিক ডাঙৰ হয়। এই কাৰণতো গুনাহৰ পৰিমাণ বৃদ্ধি হয় যে, যদি হত্যাকাৰীয়ে এই ভয়ত হত্যা কৰে যে, নিহত ব্যক্তিয়ে জীৱিকাত অংশীদাৰ হ'ব। ইয়াৰ পিছৰ ডাঙৰ গুনাহটো হৈছে প্ৰতিৱেশীৰ ঘৈণীয়েকৰ সৈতে ব্যভিচাৰ কৰা। অৰ্থাৎ প্ৰতিৱেশীৰ পত্নীক প্ৰৱঞ্চনাৰ জালত আৱদ্ধ কৰাৰ চেষ্টা কৰা যাতে তাইৰ লগত জিনা কৰিব পাৰে আৰু তাইক বশৱৰ্তী কৰি লব পাৰে। ব্যভিচাৰ হাৰাম, কিন্তু যদি ব্যভিচাৰ প্ৰতিৱেশীৰ স্ত্ৰীৰ সৈতে হয় তেন্তে গুনাহৰ পৰিমাণ আৰু অধিক বৃদ্ধি হয়। কিয়নো চৰীয়তে প্ৰতিৱেশীৰ সৈতে ভাল ব্যৱহাৰ কৰাৰ নিৰ্দেশ দিছে তথা সদাচৰণ কৰিবলৈ আদেশ দিছে।

http://sunnah.global/hadeeth/as/show/5359